**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-03-2024
**Time :** 1845 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিল গেটছৰ সৈতে মত বিনিময়। ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি নিজৰ বাবেই প্ৰয়োজন আছে বুলি প্ৰধানমন্ত্ৰীৰ মন্তব্য।

২। ৰাজ্যৰ প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অভিযান অব্যাহত।

৩। অসমৰ চাৰিখন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ ছমাহলৈ বৃদ্ধি কৰাৰ বাবে কেন্দ্ৰীয় গৃহ বিভাগৰ নিৰ্দেশনা জাৰি।

৪। ৰাজ্যত কাইলৈৰ পৰা ৪৮ ঘণ্টাৰ বাবে পেট্ৰ'ল ডিপো বন্ধ ৰখা হ'ব বুলি নৰ্থ-ইষ্ট ইণ্ডিয়া পেট্ৰ'লিয়াম ডিলাৰছ এছ'চিয়েচনৰ ঘোষণা।

৫। ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ চেপাক টাক্ৰ'ত অসমৰ ল'ৰাৰ দলৰ খিতাপ অৰ্জন।

**আৰু**

৬। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুত হ'বলগীয়া খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্চৰ মুখামুখি।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি নিজৰ বাবেই প্ৰয়োজন আছে বুলি উল্লেখ কৰিছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে লগতে চৰকাৰে সকলো গাঁৱলৈ ডিজিটেল সুবিধা সম্প্ৰসাৰণৰ ব্যৱস্থা কৰা বুলি মন্তব্য কৰিছে। বিল গেট্‌ছৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে কৃষি স্বাস্থ্য আৰু শিক্ষাত প্ৰযুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। যেতিয়া বিশ্বত ডিজিটেল বিভাজনৰ কথা প্ৰথমে ওলাইছিল, তেতিয়াই প্ৰধানমন্ত্ৰীয়ে সিদ্ধান্ত লৈছিল যে ভাৰতত এই বিভাজনৰ কোনোধৰণৰ কুপ্ৰভাৱ তেওঁ পৰিবলৈ নিদিয়ে।

কৃত্ৰিম বুদ্ধিমত্তাৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কৈছে যে যদি আমি এলাহৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত নিৰ্ভৰ কৰোঁ, তেন্তে ই, ভুল পথ। তেওঁ লগতে কয় যে যদিহে যাদুকৰী আহিলা হিচাপে কৃত্ৰিম বুদ্ধিমত্তা হয়, তেন্তে ই অন্যায়ৰ সৃষ্টি কৰিব। কৃত্ৰিম বুদ্ধিমত্তা অত্যন্ত ভাল আহিলা, কিন্তু উপযুক্ত প্ৰশিক্ষণ নোপোৱা কাৰোবাৰ হাতত পৰিলে ইয়াৰ অপব্যৱহাৰ হোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কৈছে যে ছেটজিপিটিৰ সৈতে মানুহৰ প্ৰতিযোগিতা হ'ব লাগে আৰু কৃত্ৰিম বুদ্ধিমত্তাতকৈ আগবাঢ়ি যাবলৈ মানুহে চেষ্টা কৰিব লাগে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা সৃষ্টি হোৱা বিষয়বস্তুৰ ওপৰত স্পট ৱাটাৰমাৰ্ক থাকিব লাগে বুলি উল্লেখ কৰি কয় যে এইধৰণৰ চিহ্ন থাকিলে কোনোৱেই বিপথে পৰিচালিত নহয়।

স্বাস্থ্যখণ্ডৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰায় ২ লাখ আয়ুস্মান আৰোগ্য মন্দিৰ গাঁৱে-ভূঞে নিৰ্মাণ কৰা হৈছে আৰু এই স্বাস্থ্যকেন্দ্ৰসমূহ সাঁকো হিচাপে আধুনিক প্ৰযুক্তিৰে উন্নত চিকিৎসালয়ৰ সৈতে সংযুক্ত কৰা হৈছে। তেওঁ কয় যে ভাৰতে একচেতিয়া অধিকাৰ ৰোধ কৰিবলৈ প্ৰযুক্তিৰ গণতান্ত্ৰিকভাৱে ব্যৱহাৰ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভাৰতত আইনী পৰিকাঠামো আছে যদিও জনসচেতনতাও সমানেই গুৰুত্বপূৰ্ণ।

ভাৰতত নতুন প্ৰযুক্তি গ্ৰহণৰ বাবে মহিলাসকলক আগবঢ়াই দিয়া হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে নমো ড্ৰোণ দিদি আঁচনি সফলতাৰে চলি আছে। শ্ৰী মোদীয়ে কৈছে যে বৰ্তমান মানুহৰ মানসিকতা সলনি হৈছে, কাৰণ যেতিয়াই তেওঁ নমোঃ দ্ৰোণ দিদিৰ সৈতে মত বিনিময় কৰে, তেতিয়া তেওঁলোকে কয় যে পূৰ্বে এই মহিলাসকলে চাইকেল চলাব নাজানিছিল, কিন্তু বৰ্তমান ড্ৰোণ উৰুৱাব পাৰে।

ভাৰতে আয়োজন কৰা জি-টুৱেণ্টী সন্মিলনৰ বিষয়ে উল্লেখ কৰি শ্ৰী মোদীয়ে কৈছে যে জি-টুৱেণ্টী শীৰ্ষ সন্মিলন আৰু ইয়াৰ কাৰ্যসূচীসমূহৰ বিষয়ে পূৰ্বে বিস্তৃতভাৱে আলোচনা কৰা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীৰ মতে সমগ্ৰ বিশ্বই এতিয়া জি-টুৱেণ্টীৰ মূল লক্ষ্য আৰু উদ্দেশ্যসমূহ বুজি পাইছে আৰু সেইবোৰ প্ৰয়োগ কৰাত আগভাগ লৈছে।

নৱীকৰণযোগ্য শক্তি সন্দৰ্ভত শ্ৰী মোদীয়ে কৈছে যে ভাৰতে এইখণ্ডত দ্ৰুতগতিত আগবাঢ়িছে। তেওঁ লগতে কয় যে দেশে হাইড্ৰ'জেন ইন্ধনৰ ব্যৱহাৰৰ ক্ষেত্ৰত আগ-ভাগ ল'বলৈ ইচ্ছা প্ৰকাশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুড ফ্ৰাইডে উপলক্ষে সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে যীশুখ্ৰীষ্টৰ বলিদানৰ কথা স্মৰণ কৰিছে। শ্ৰী মোদীয়ে কৈছে যে গুড ফ্ৰাইডেত আমি যীশুখ্ৰীষ্টৰ বলিদানৰ কথা মনত পেলোৱা উচিত। যীশুখ্ৰীষ্টই শিকোৱা মমতা আৰু ক্ষমাৰ পাঠেৰে সকলোৱে উদ্বুদ্ধ হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে।

ooooo

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে সমষ্টিয়ে সমষ্টিয়ে ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰচাৰ চলাইছে। বিশেষকৈ অহা ১৯ এপ্ৰিলত ৫টা সমষ্টিত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায়। যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি চৰাইদেউ জিলাৰ মাহমৰাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। জিলাখনৰ আনকেইবাটাও স্থানত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে প্ৰচাৰ চলায়। দলীয় সমৰ্থকে শ্ৰীগগৈক মটৰচাইকেল সমদলেৰে আদৰি নিয়ে। কাজিৰঙা লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়ে দলীয় কৰ্মীসকলক লগত লৈ আজি গোলাঘাটৰ মেৰাপানী, তৰাণি, ক'লাজান আদি অঞ্চলত ভোটাৰৰ ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে নামঘৰত গৈ আশীৰ্বাদ গ্ৰহণ কৰে। নগাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈও নগাঁও নগৰত নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে শোণিতপুৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰঞ্জিৎ দত্তই ঢেকীয়াজুলিৰ বৰচলাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই সভাখনত মন্ত্ৰী অশোক সিংঘলো উপস্থিত থাকে। কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ মন্ত্ৰী অজন্তা নেওগে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে দলীয় কৰ্মীক লগত লৈ ফৰকাটিং, আঠগাঁও, জামগুৰি, পুলিবৰ আদি কেইবাখনো গাঁও পঞ্চায়ত এলেকাত প্ৰচাৰ চলায়। নিৰ্বাচনী

প্ৰচাৰ অভিযানৰ লগতে ভাৰতীয় জনতা পাৰ্টীৰ গোলাঘাট জিলা কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত কংগ্ৰেছৰ শতাধিক নেতা-কৰ্মীয়ে বিজেপিত যোগদান কৰে। নগাঁও সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ মন্ত্ৰী পীযূষ হাজৰিকাই ধিঙৰ খৈৰাবাৰী চৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। নগাঁৱত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ আৰু প্ৰশাসনৰ প্ৰস্তুতি সন্দৰ্ভত নগাঁৱৰ আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই এইদৰে কয়-

**ভইচ কাষ্ট**

বিজেপি প্ৰাৰ্থী সুৰেশ বৰা উপস্থিত থকাত এই সভাখনত পাঁচ শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে বিজেপিত যোগদান কৰে। ইপিনে যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন গগৈয়ে মাজুলীৰ ১১টা স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। স্থানীয় বিধায়ক ভূবন গাম আৰু দলীয় কাৰ্যকৰ্তাসকলক লৈ শ্ৰীগগৈয়ে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। আঞ্চলিক দল অসম গণ পৰিষদ, বিজেপিৰ মিত্ৰদল ইউ পি পি এলৰ লগতে আম আদমী পাৰ্টীয়েও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। তামুলপুৰত আজি বিজেপি, অগপ আৰু ইউ পি পি এলৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। সভাত সমাগত লোকসভা নিৰ্বাচনৰ বাবে তামুলপুৰ আৰু গোৰেশ্বৰ কমিটী গঠন কৰা হয়। সভাখনত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিলীপ শইকীয়াক জয়যুক্ত কৰাৰ বাবে ৰণকৌশল যুগুত কৰা হয়। কোকৰাঝাৰ সমষ্টিৰ এন ডি এ সমৰ্থিত ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ অগপৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই এখন নিৰ্বাচনী বৈঠকত অংশগ্ৰহণ কৰে। কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত জিলা সমিতিখনত ৯খন বিধানসভা সমষ্টিৰ কমিটীৰ বিষয়ববীয়াৰ সৈতে শ্ৰীবৰা আৰু শ্ৰীমহন্তই বৈঠকত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে অহা ৬ এপ্ৰিলত লখিমপুৰত হ'বলগীয়া এখন নিৰ্বাচনী সভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অংশগ্ৰহণ কৰিব। এই উপলক্ষে আজি লখিমপুৰ জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত এখন প্ৰস্তুতি সভাত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, মন্ত্ৰী ডা০ ৰণোজ পেগু আৰু সাংসদ প্ৰধান বৰুৱাই অংশগ্ৰহণ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমত চাৰিখন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ ছমাহলৈ বৃদ্ধি কৰিছে। ১ এপ্ৰিলৰ পৰা ছমাহলৈ অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰা অসমৰ জিলা চাৰিখন হ'ল তিনিচুকীয়া, চৰাইদেউ, শিৱসাগৰ আৰু ডিব্ৰুগড়। ইপিনে নাগালেণ্ডৰ ৮খন জিলাত আৰু অৰুণাচল প্ৰদেশৰ ৩খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি কৰা হৈছে। নাগালেণ্ডৰ ৮খন জিলাৰ ২১খন থানাৰ অন্তৰ্গত অঞ্চলসমূহৰ লগতে অৰুণাচল প্ৰদেশৰ ৩ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহ আইনখনৰ আঁওতাত থাকিব।

০০০০০

অসমত কৰ্কট চিকিৎসাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক কেন্দ্ৰীয় চৰকাৰে শলাগ লৈছে। কৰ্কট ৰোগৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে আৰম্ভ কৰা সুনিৰ্দিষ্ট পৰিকল্পনাক অনুসৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে দেশৰ ৰাজ্যসমূহক আহ্বান জনাইছে। কেন্দ্ৰীয় চৰকাৰৰ জ্যেষ্ঠ অৰ্থনৈতিক উপদেষ্টা ইন্দ্ৰাণী কৌশলে ৰাজ্যসমূহৰ স্বাস্থ্য বিভাগলৈ এই সন্দৰ্ভত এখন পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত শ্ৰীকৌশলে অসম চৰকাৰে তিনিটা পৰ্যায়ত কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে গ্ৰহণ কৰা সুনিৰ্দিষ্ট পৰিকল্পনা কিদৰে ৰূপায়ণ কৰা হৈছে সেই কথা উল্লেখ কৰি অন্যান্য ৰাজ্যসমূহতো যাতে এই আৰ্হি অনুসৰণ কৰা হয় তাৰ বাবে আহ্বান জনায়।

ইপিনে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰেৰণ কৰা পত্ৰ সন্দৰ্ভত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই কয় যে, এয়া ৰাজ্যবাসীৰ বাবে আনন্দ আৰু গৌৰৱৰ বিষয়।

ooooo

নৰ্থ-ইষ্ট ইণ্ডিয়া পেট্ৰ'লিয়াম ডিলাৰছ এছ'চিয়েছনে কাইলৈ পুৱা ৫ বজাৰ পৰা ১ এপ্ৰিলৰ পুৱা ৫ বজালৈকে ৰাজ্যৰ সকলো পেট্ৰ'ল ডিপো বন্ধৰ কথা ঘোষণা কৰিছে। দীৰ্ঘদিনীয়া দাবী পূৰণ নোহোৱাৰ প্ৰতিবাদত সংস্থাটোৱে ৪৮ ঘণ্টীয়া পেট্ৰ'ল ডিপো বন্ধৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। সংস্থাটোৰ প্ৰতিবাদী কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ সচিবে সকলো জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকলৈ বিশেষ নিৰ্দেশনা প্ৰেৰণ কৰিছে। গ্ৰাহকে যাতে কোনো অসুবিধা নোহোৱাকৈ পেট্ৰ'ল আৰু পেট্ৰ'লজাতীয় সামগ্ৰী ক্ৰয় কৰিব পাৰে তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছে।

ooooo

শোণিতপুৰ লোকসভা সমষ্টিৰ অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ প্ৰাৰ্থীৰূপে মনোনয়ন দাখিল কৰা ৯ গৰাকী প্ৰাৰ্থীৰ ভিতৰত এগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ আজি পৰীক্ষা কৰাৰ পাছত নাকচ কৰা হয়। শোণিতপুৰ জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত আজি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ পাছত নিৰ্দলীয় প্ৰাৰ্থী মহেন্দ্ৰ ওৰাঙৰ মনোনয়ন নাকচ কৰে। উল্লেখযোগ্য যে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ পাব।

ooooo

শিৱসাগৰ জিলাত শান্তি-শৃংখলাৰ পৰিস্থিতি বিঘ্নিত হোৱাৰ আশংকা কৰি শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱে জিলাখনত তৎকালে বলৱত হোৱাকৈ ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি অনুমতিবিহীন ভাবে বা বে-আইনী কাৰ্যকলাপৰ উদ্দেশ্যে ১০ জন বা তাতোধিক লোকৰ সমাবেশ নিষিদ্ধ কৰিছে। ইয়াৰ উপৰি এই নিৰ্দেশ অনুসৰি যিকোনো ব্যক্তি বা ব্যাৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয় আদিৰ পৰা কোনো ধৰণৰ বৰঙণি সংগ্ৰহ তথা প্ৰদান আৰু এই ক্ষেত্ৰত ভীতি প্ৰদৰ্শন কৰা, প্ৰতিমূৰ্তি দাহ, পথ বন্ধ, অস্ত্ৰ-শস্ত্ৰ লগত লৈ ফুৰাৰ লগতে ৰাজহুৱা সম্পত্তি ধ্বংস কৰিব নোৱাৰিব।

ooooo

অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া লখিমপুৰ লোকসভা সমষ্টিৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে ইয়াৰ অন্তৰ্গত শদিয়া বিধানসভা সমষ্টিৰ জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি শদিয়া জিলা নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ে মহকুমাধিপতি কাৰ্যালয়ত দুটা টেলিফোনৰ সৈতে নিৰ্বাচনী নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে। নিৰ্বাচনী নিয়ন্ত্ৰণী কক্ষটোৰ টেলিফোন নম্বৰ দুটা হ'ল 037561950 আৰু 03612724230 নিৰ্বাচন সম্পৰ্কীয় যিকোনো তথ্য এই দুটা টেলিফোন নম্বৰ যোগে ৰাইজে জনাব বা জানিব পাৰিব বুলি জনসংযোগ বিভাগে প্ৰকাশ কৰিছে। ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি দিনটোৰ ২৪ ঘণ্টাই ফোন নম্বৰ মুকলি ৰখা হ'ব।

ooooo

কাৰ্বি আংলং জিলা নিৰ্বাচন বিভাগে অহা ২৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ ডিফু লোকসভা সমষ্টিৰ ভোটাৰক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ৰচবিপ' আৰু ইক-নী নামেৰে শুভংকৰ প্ৰতীক প্ৰস্তুত কৰি

উলিয়াইছে। ডিফু লোকসভা সমষ্টিত ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে শুভংকৰ লগত লৈ ভোটদানৰ প্ৰতি সজাগতা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে।

০০০০০

তিনিচুকীয়া জিলা প্ৰশাসনৰ ছুইপ কোষৰ তৰফৰ পৰা তিনিচুকীয়া জিলাৰ ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ সজাগতা অভিযান চলাই ১০০ শতাংশ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ নিশ্চিত কৰিছে। অহা ১৯ এপ্ৰিল তাৰিখে ভোটদান কৰি নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ ছুইপ কোষৰ সদস্যসকলৰ ফালৰ পৰা বিশেষ সজাগতা বাৰ্তা প্ৰেৰণ কৰা হৈছে। নিৰ্বাচনৰ দিনটোক **নিৰ্বাচন মহোৎসৱ** হিচাপে বিবেচনা কৰি জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে সকলো নাগৰিকক ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০

যোৰহাট জিলাৰ মীন উন্নয়ন বিষয়াই জিলাখনত অহা ১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈ অসম মীন আইনৰ আধাৰত মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। মাছৰ উৎপাদন বৃদ্ধি আৰু প্ৰজননৰ এই সময়ছোৱাত জধে মধে মাছ ধৰা, আঁঠুৱা জাল, ফাঁচী জাল আৰু অন্য যিকোনো জালৰ ব্যৱহাৰৰ ক্ষেত্ৰত বাধা আৰোপ কৰিছে। এই আইন ভংগকাৰীসকলৰ বিৰুদ্ধে বিধি অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মীন উন্নয়ন বিষয়াগৰাকীয়ে জানিবলৈ দিছে।

০০০০০

কৰ্ণাটকত অনুষ্ঠিত ছাব জুনিয়ৰ ৰাষ্ট্ৰীয় চেপাক টাক্ৰ' প্ৰতিযোগিতাত অসমৰ ল'ৰাৰ দলে চেম্পিয়নৰ সন্মান অৰ্জন কৰিছে। ফাইলেনত অসমে বিহাৰক পৰাস্ত কৰি খিতাপৰ অধিকাৰী হয়। ছেমি ফাইনেলত অসমে মণিপুৰক পৰাস্ত কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্চৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আজিৰে পৰা খেলো ইণ্ডিয়া অস্মিতা জুনিয়ৰ মহিলা সাঁতোৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ছুইমিং ফেডাৰেচন অৱ ইণ্ডিয়া আৰু কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অন্তৰ্গত ছাইৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাখনত ১১০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ আজি প্ৰথম দিনা বংগই ৬টা সোণ, ৭টা ৰূপ আৰু ৬টা ব্ৰঞ্জৰ পদক দখল কৰে।

০০০০০

সমাপ্ত